## ভ্ৰান্তিমান

প্ৰকৃততে যিটো নহয় সাদৃশ্যহেতুকে তাকে হয় বুলি ভবাকে ভ্ৰান্তি বোলে। কবি প্ৰতিভাৰে ৰঞ্জিত এনে ভ্ৰান্তিৰ বৰ্ণনাকে ভ্ৰান্তিমান অলংকাৰ বোলে। বাটত পৰি থকা জৰী এডালক মুনিচুনি বেলিকা সাপ বুলি ভুল কৰাৰ বৰ্ণনা ভ্ৰান্তিমান অলংকাৰ নহয়। অলংকাৰ হবলৈ হলে ভ্ৰান্তিটোত কবিৰ কল্পনাৰ ৰহণ থাকিব লাগিব। উদাহৰণ ঃ

(ক) 'সোণবৰণীয়া কেতেকী ধুনীয়া
গোন্ধতে আমোল মোল।
পদুম বুলি পৰি বন্দী হ'ল ভোমোৰা
কি ভুল কি ভুল ভুল।'

কেতেকী আৰু পদুমৰ সাদৃশ্য সুগন্ধত। ভোমোৰৰ ভুলৰ কাৰণ সদৃশ সুগন্ধ।

(খ) 'ৰত্নৰ চাৰু কুন্দৰখ জালে
ধূপ ধুম্ৰচয় বজায় বোম্বালে।
মেঘ বুলি তাক ময়ূৰ গণে
গৃহত চড়িয়া নাচে সঘনে।' — *নাৰদ-কৃষ্ণদৰ্শন*

দ্বাৰকাৰ সৌধমালাৰ ৰত্নময় কুন্দ্ৰাক্ষৰ জলাইদি একেৰাহে ধূপ-ধূনাৰ ধোঁৱা ওলায়। তাকে মেঘ বুলি ভাবি ম'ৰা চৰায়ে সঘনে নাচিবলৈ ধৰে। ধূপ-ধুম্ৰত মেঘ ভ্ৰান্তি আৰু সেই ভ্ৰান্তিত ময়ূৰৰ নৃত্য ইয়াৰ বিষয়বস্তু। ধূপ ধুম্ৰ মেঘ নহয় তাক মেঘ বুলি ভবা ভ্ৰান্তিৰ বৰ্ণনাই ইয়াত ভ্ৰান্তিমান অলংকাৰৰ সৃষ্টি কৰিছে।

## ।। ১১ ।। উৎপ্ৰেক্ষা

উপমেয়ক উপমান বুলি কৰা একপক্ষীয় প্ৰবল-সন্দেহৰ ভেটিত উপমেয় উপমানৰ যি একৰূপতাৰ কল্পনা তাকে উৎপ্ৰেক্ষা অলংকাৰ বোলে। এই একৰূপতাৰ বোধ জন্মে সাধ্য অধ্যৱসানৰ ফলত।

'তেওঁৰ মুখ যেন এপাহ পদুমহে'— এই উদাহৰণটো লৈয়ে আৰম্ভ কৰা যাওক। ইয়াত মুখ পদুমৰ নিচিনা বুলি পোনপটীয়াকৈ তুলনা কৰি উপমাৰ সৃষ্টি কৰা হোৱা নাই। আকৌ পদুমক মুখত আৰোপ কৰি ৰূপক কৰাও নাই। ইয়াত মুখতকৈও পদুম বুলিহে সন্দেহটো বেছি হৈ ৰৈছে। উৎকোটিক সন্দেহ পদুমপক্ষত পৰিছে আৰু পদুমজ্ঞানে মুখজ্ঞানক আবৰি ধৰি তল পেলাই নিজে প্ৰবল হৈছে। ইয়াকে উৎপ্ৰেক্ষা বোলে। উৎপ্ৰেক্ষাৰ ব্যুপত্তিগত অৰ্থ হ'ল— উৎ-ঊৰ্ধ্ব বা প্ৰবল আৰু প্ৰেক্ষা মানে দৰ্শন বা আশংকন। ইয়াকে আলংকাৰিকসকলে লোকাতিক্ৰান্ত দৰ্শন বোলে অৰ্থাৎ সাধাৰণ জনে নেদেখা অথচ কবিয়ে দেখা সত্য।

উৎপ্ৰেক্ষা বুজোৱা শব্দ অসমীয়া বহুত আছে। সেইবোৰ হৈছে যেন, যেনিবা, জানিবা, কিজানি, বোধ হয়, সাইলাখ, নিশ্চয় ইত্যাদি। পুৰণি ব্ৰজাৱলী অসমীয়াত জচ, জু আদি উৎপ্ৰেক্ষাৰ বাচক শব্দৰূপে ব্যৱহৃত হৈছিল। এইদৰে উৎপ্ৰেক্ষাৰ বাচক শব্দ ব্যৱহাৰ কৰি যি উৎপ্ৰেক্ষা অলংকাৰৰ সৃষ্টি কৰা হয় তাক বাচ্য্যা উৎপ্ৰেক্ষা বোলে। উৎপ্ৰেক্ষাবাচক শব্দ নাথাকে অথচ অৰ্থৰপৰাই উৎপ্ৰেক্ষাৰ প্ৰতীতি হয় এনে ধৰণৰ উৎপ্ৰেক্ষালংকাৰক প্ৰতীয়মানা বোলে। উদাহৰণ, বাচ্যাঃ

(ক) 'পৰশু কুঠাৰখান পাৰিয়া কান্ধত।
ভয়ংকৰ ধনুখান ধৰিয়া হাতত।।
ৰাজাৰ সেনাৰ মাজে ভৈলা উপগত।
শৃংগ সমন্বিতে থেন সচল পৰ্বত।।' — মাধদেৱ

ইয়াত পৰশুৰামৰ বৰ্ণনা দিয়া হৈছে। কুঠাৰখন কান্ধত পেলাই বিৰাট জঁটাৰে পৰশুৰামৰ বিপুলকায়াটো দেখি কবিৰ কল্পনাত পৰশুৰামতকৈও শৃঙ্গযুক্ত এটা সচল পৰ্বত বুলিহে প্ৰতিভাত হৈছে। পৰশুৰাম বুলি সন্দেহ নহৈ এটা চলন্ত পৰ্বতৰ ধাৰণাটোহে প্ৰবলৰূপে দেখা দিছে। 'যেন' শব্দৰদ্বাৰা পৰ্বতপক্ষী উৎকট সন্দেহটো উপস্থাপিত কৰা হৈছে। এতেকে ই বাচ্যা উৎপ্ৰেক্ষা।

(খ) 'ৰাক্ষসৰ অঙ্গে ৰূপ সীতাৰ বলিল
অঞ্জন পৰ্বতে যেন মানিক জ্বলিল।' — মাধৱ কন্দলী

বিৰাধ ৰাক্ষসে থাপ মাৰি সীতাক দাঙি লৈ যোৱাৰ দৃশ্যটো বৰ্ণাই কবিয়ে এইদৰে কৈছে। বিৰাধৰ কৃষ্ণবৰ্ণ বিৰাট শৰীৰত ৰত্নকান্তিমতী সীতাৰ লাহী তনুৰ যি বিৰোধযুক্ত প্ৰকাশ, কবিৰ দৃষ্টিত সি বিৰোধশৰীৰ আৰু সীতাৰ তনুদেহ মাত্ৰ হৈ থকা নাই। সি ক'লা কাজলৰ পৰ্বতত এগহি মাণিক জ্বলি থকা বুলিহে কবিৰ বোধ হৈছে। বিৰাধ আৰু সীতা এই দুই প্ৰস্তুত বা উপমেয়ক অঞ্জন পৰ্বত আৰু মাণিক উপমানে তল পেলাইছে, বিৰাধত অঞ্জন পৰ্বত আৰু সীতাত মাণিক এককৰূপ হৈ পৰিছে। 'যেন' শব্দই এই এককৰূপকল্পনাৰ দ্যোতনা কৰিছে। সন্দেহটো ফঁহিয়ালে এনেকুৱা হ'ব— ইমান ক'লা এইটো কি? ৰাক্ষস নে অঞ্জন পৰ্বত— ই হ'ল প্ৰথম সন্দেহ। দ্বিতীয় পৰ্যায়ত সন্দেহটো নিশ্চিতভাৱে ৰ'লগৈ পৰ্বতত— ই যেন অঞ্জনৰ পৰ্বতহে।

(গ) 'পৰ্বতীয়া জুৰিটিৰ জিৰজিৰণিত
শুনো যেন বিননিৰ সুৰ।' — *নলিনীবালা*

জুৰিৰ জিৰজিৰণি গুচি কবিৰ কাণত বিননিৰ সুৰ হৈ পৰিল। উপমেয় জিৰজিৰণিত বিননিৰ সাধ্য অধ্যৱসানহে পুৰা অধ্যৱসান নহয়। কাৰণ জিৰজিৰণিৰ অস্তিত্ব সমূলে বিলোপ হোৱা নাই। কেৱল বিননিৰ পক্ষত সন্দেহটো উৎকট হোৱা বিননিৰূপে কবিৰ মনত এক হৈ পৰিছে।

**প্ৰতীয়মানা ঃ**

(ঘ) 'তাজ তুমি ৰঙা তেজ,
বিৰহী অন্তৰৰ
গোট মাৰি শিলাহোৱা
মৰ্মভেদী ব্যথা।' — *ৰবকাকতী*

তাজমহল মৰ্মৰ-সৌধ হৈ নাথাকি কবিৰ দৃষ্টিত বিৰহী ব্যথা গোট মাৰি হোৱা শিলা হৈ পৰিছে। কবিকল্পনাত তাজমহল উপমেয়ৰ ওপৰত সন্দেহটো নাথাকি সন্দেহটো ৰ'লগৈ বিৰহব্যথাৰ গোট মাৰি হোৱা শিলাৰ ওপৰত। প্ৰস্তৰীভূত বিৰহব্যথাৰ পক্ষীয় সন্দেহ উৎকট হোৱাত উপমানে উপমেয়ক ঢাকি পেলোৱাৰ দৰে পেলাইছে। এই উৎপ্ৰেক্ষাত বাচক 'যেন' বা তেনে আন শব্দ নাই। উৎপ্ৰেক্ষাটো কেৱল গম্যমান, উমানতে গম পোৱা বিধৰ। গতিকে ই প্ৰতীয়মানা উৎপ্ৰেক্ষা। উৎপ্ৰেক্ষাটো ভাঙি দেখুৱালে এনে হ'ব— তাজ, তুমি যেন বিৰহীৰ ৰঙাতেজ-ৰূপ মৰ্মভেদী ব্যথা গোটমাৰি হোৱা শিলা।

(ঙ) 'দ্ৰোণীজাত শুভ্ৰ কান্তি ফুল দ্ৰোণীদলে
প্ৰীতিভৰা লাজাঞ্জলি যাচিছে সাদৰে।'— *ৰঘুনাথ চৌধাৰী*

সৌন্দৰ্যত সকলোকে চেৰ পেলাই বিশ্ববিজয়িনীৰূপে পৰ্বতৰ নিতম্বদেশত গিৰিমল্লিকা আছে। নামনি দুই পৰ্বতৰ মাজভাগত (দ্ৰোণী) ফুলি আছে হাজাৰ-বিজাৰ আখৈ-সজীয়া দ্ৰোণফুল। এইখিনি হ'ল প্ৰকৃত বা প্ৰস্তুত বস্তু। কবিৰ কল্পনাই টানি আনিলে আৰু এটা বস্তু (অপ্ৰকৃত বা অপ্ৰস্তুত)— বিজয়িনীৰ সম্বৰ্ধনাৰ কাৰণে পূৰনাৰীয়ে আজলিয়ে আজলিয়ে আখৈ ছটিওৱাৰ (লাজাঞ্জলি) কথা। কবিৰ প্ৰত্যয় ঢাল খালে কল্পনাই টানি অনা বস্তুৰ প্ৰতি। দ্ৰোণফুল ফুলা নাই, দ্ৰোণদলে এইবোৰ বিশ্ববিজয়িনী গিৰিমল্লিকাৰ সম্বৰ্ধনাত লাজাঞ্জলি যাচিছে। পূৰনাৰীৰ কৰ্ম আনি দ্ৰোণদলত আৰোপিত কৰি দ্ৰোণদলক পুৰনাৰীৰূপে প্ৰতিষ্ঠিত কৰিলে। যেন আদি শব্দ নাই যদিও উৎপ্ৰেক্ষা অৰ্থৰদ্বাৰাই বুজা গৈছে। ইও প্ৰতীয়মানা উৎপ্ৰেক্ষা।[৩]

'যেন' এই শব্দটো উপমাবাচকো হয় আৰু উৎপ্ৰেক্ষাবাচকো হয়। কেতিয়া উপমা বুজায় আৰু কেতিয়া উৎপ্ৰেক্ষা বুজায় তাক অৰ্থৰ অনুধাৱন কৰি বুজিব লাগে। উপমানটো কবিকল্পিত আৰু সাধাৰণ দৃষ্টিত সম্ভৱ নোহোৱা যেন বিধৰ হলে উৎপ্ৰেক্ষা বুজায়। আগতে দিয়া উদাহৰণকিটালৈ লক্ষ্য কৰিলে দেখা যাব যে, চলন্ত পৰ্বত বা অঞ্জনৰ পৰ্বত লোকাতিক্ৰান্ত বস্তু উপমানৰূপে কল্পিত হোৱাত সি যেনৰ প্ৰয়োগত উৎপ্ৰেক্ষা হৈছে। তলত দিয়া উদাহৰণকিটালৈ লক্ষ্য কৰিলে পাৰ্থক্যটো ধৰা পৰিব ঃ

(চ) 'উৰস্থলে লক্ষ্মী দিলন্ত দেখা।
কষটিত যেন সোণাৰ ৰেখা।'

(ছ) 'মাধৱক মধ্যে কৰি কৰে সবে খেড়ি।
পদ্মৰ চকাক যেন পাতে আছে বেড়ি।।' — *শংকৰদেৱ*

(চ) উদাহৰণত শ্যামলশৰীৰ বিষ্ণুৰ বুকুত লক্ষ্মীক কষটিশিলাৰ ওপৰত সোণৰ ৰেখাৰে তুলনা কৰা হৈছে। কষটিত সোণৰ ৰেখা স্বাভাৱিক যথাযথ বস্তুস্থিতি কবিয়ে উৎক্ৰমণ কৰি দৃষ্টি কৰি পোৱা বস্তু নহয়। গতিকে এই ঠাইত উপমাহে, উৎপ্ৰেক্ষা নহয়।

(ছ) উদাহৰণতো পদ্মৰ চকাক পাতে বেৰি থকাটো সচৰাচৰ সকলোৱে দেখা

বস্তু, কবিকল্পিত উপমান ই নহয়। পদ্মৰ চকাক পাতে যেনেকৈ বেৰি থাকে মাধৱক গোপীসকলে সেইদৰে বেঢ়ি আছে। গতিকে ই উৎপ্রেক্ষা নহয় উপমাহে। এইবোৰ স্থলত 'যেন'ৰ অৰ্থ হ'ব 'যেনেকৈ'।

উৎপ্রেক্ষাত কেতিয়া বা উপমাৰ স্পষ্ট উল্লেখ নাথাকিবও পাৰে; কিন্তু তাৰ ক্রিয়াগুণ প্রকৃতৰ ক্ষেত্রত লগাই একৰূপতা ঘটোৱা হয়। অপ্রকৃতৰ ক্রিয়াগুণ প্রকৃতত লগোৱা বাবেই অপ্রকৃত প্রধান হৈ প্রকৃতেৰে একাকাৰ হৈ যায়।[৪] উদাহৰণ ঃ

(জ) "ওখৰ মলয়াই মৰমৰ হাতেৰে
চোলাৰ ধূলি সাৰে।" — *বেজবৰুৱা*

মলয়াই চোতালৰ ধূলি সৰাটো স্থূলদৃষ্টিত অবাস্তৱ কথা। চোতালৰ ধূলি গৃহিণীয়ে বা আন কোনোবাই সাৰে। মলয়া বতাহত চোতালৰ ধূলি উৰি যায়। প্রকৃতৰ এই উৰি যোৱা ক্রিয়াটো অধঃকৃত কৰি উপমান বুলি উল্লেখ নকৰাকৈও গৃহিণীয়ে চোতাল সৰা ক্রিয়াটো প্রকৃতত (মলয়াত) লগাই এনেভাৱে একাকাৰ কৰিছে যে, মলয়াই চোতাল সৰাটোহে প্রধানকৈ মানস পটত জিলিকি পৰিছে। প্রকৃত আৰু অপ্রকৃত দুয়োটাকে পৃথককৈ দেখুৱালে এনে হ'ব ঃ

প্রকৃত—মলয়াত চোতালৰ ধূলি উৰি যায়।
অপ্রকৃত—গৃহিণীয়ে চোতালৰ ধূলি সাৰে।

ইয়াক এনেকৈয়ো উৎপ্রেক্ষা কৰি পাৰিলেহেঁতেন—মলয়াত চোতালৰ ধূলি উৰি গৈছে, যেন কোনোবাই চোতালহে সাৰিছে। তাকে নকৈ প্রকৃতত অপ্রকৃতৰ ক্রিয়া লগাই একৰূপতা সম্পাদন কৰি উৎপ্রেক্ষা কৰা হৈছে। এইবিধ উৎপ্রেক্ষা সদায় প্রতীয়মানা।

(ঝ) "বনস্পতি দ্রুমদলে নৱপল্লৱেৰে
জনাইছে হৃদয়ৰ গুপ্ত সম্ভাষণ।" —*ৰঘুনাথ চৌধাৰী*

এই ফাকি কবিতাত স্বয়ংবৰ সভাৰ ইংগিত এটা আছে। ধুনীয়া গিৰিমল্লিকাৰ চাৰিউফালে বনস্পতি দ্রুমদলৰ (ডাঙৰ ডাঙৰ গছ) নৱপল্লৱ সঞ্চালিত হৈ আছে। এইটো হ'ল প্রকৃত বৰ্ণনীয় বিষয়। কবিয়ে কল্পনা কৰিছে— লাৱণ্যময়ী কন্যাৰ স্বয়ংবৰত উপস্থিত হৈ চাৰিউফালে বহি থকা ৰজাসকলে (বনস্পতি শব্দৰ ধ্বনি) শিৰঃসঞ্চালন বা লীলাকমলৰ সঞ্চালনৰ দ্বাৰা হৃদয়ৰ গুপ্ত অভিলাস জ্ঞাপন কৰাৰ

দৰে দ্ৰুমদলেও যেন গিৰিমল্লিকাক গুপ্ত সম্ভাষণ জনাইছে। হয়াত ৰজাসকলৰ শিৰঃসঞ্চালন আদিৰ দ্বাৰা জ্ঞাপিত গুপ্ত অভিলাষৰূপ অপ্ৰকৃতৰ ক্ৰিয়া প্ৰকৃত দ্ৰুমদলত একীভূত কৰাৰ উৎপ্ৰেক্ষা

অলংকাৰ হৈছে। যেন আদি বাচক শব্দ নাই অৰ্থসংগতিৰপৰা বোধহোৱা বাবে ই প্ৰতীয়মানা উৎপ্ৰেক্ষা।

উৎপ্ৰেক্ষা অলংকাৰ কবিসকলৰ বৰ প্ৰিয়। কবিকল্পনাৰ সৌন্দৰ্য আৰু দৃষ্টিকৌশল উৎপ্ৰেক্ষা অলংকাৰত বৰ সুন্দৰকৈ প্ৰকাশ পায়। প্ৰকৃতপক্ষে বহুত কালজয়ী কবিতাৰ মূলতে উৎপ্ৰেক্ষাৰ সৌন্দৰ্য এই কথা যে, কেৱল সংস্কৃত বা অসমীয়াতহে খাটে এনে নহয়। পৃথিৱীৰ সকলো সাহিত্যতে এই কথাৰ সত্য বিচাৰ কৰিলে ওলাই পৰিব।